SPM IAS ACADEMY
SHAPING BRILLIANCE



# GENERAL STUDIES—III

## ( Paper—4 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The answers must be written in the medium or language (English/Assamese) of the candidate's choice. Answer should be written in the space as per the question provided. Multiple languages in the same answer scripts WILL NOT BE EVALUATED.

The number of marks carried by a question and word limit are indicated against it.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

SPM IAS ACADEMY
SHAPING BRILLIANCE

**1.** Define the informal sector. Why is the informal sector considered as the backbone of India's labour market? (Answer in *150* words) 2+8=10

অসংগঠিত খণ্ডৰ সংজ্ঞা দিয়ক। অসংগঠিত খণ্ডক কিয় ভাৰতৰ শ্ৰম-বজাৰৰ ৰাজহাড় বুলি বিবেচনা কৰা হয়? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**2.** Discuss the changes introduced by the 16th Finance Commission to the horizontal devolution formula, compared with the 15th Finance Commission. Analyze their likely impact on the North-Eastern States of India. (Answer in *150* words) 5+5=10

পঞ্চদশ বিত্ত আয়োগৰ তুলনাত ষষ্ঠদশ বিত্ত আয়োগে অনুভূমিক হস্তান্তৰণ সূত্ৰ (horizontal devolution formula)-ত আগবঢ়োৱা পৰিৱৰ্তনবোৰৰ বিষয়ে আলোচনা কৰক। ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ওপৰত ইহঁতৰ সম্ভাব্য প্ৰভাৱৰ বিষয়ে এটা বিশ্লেষণাত্মক পৰ্যালোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**3.** Discuss why there has been an increased focus on organic farming in India in recent years. Can organic farming result in the problem of adverse selection? (Answer in *150* words) 7+3=10

সাম্প্ৰতিক সময়ত ভাৰতত কিয় জৈৱিক কৃষিৰ ওপৰত অধিক মনোযোগ দিয়া হৈছে সেই বিষয়ে আলোচনা কৰক। জৈৱিক কৃষিয়ে প্ৰতিকূল চয়নজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰেনেকি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**4.** Elaborate upon the recent land reforms undertaken by the Government of Assam to benefit tea garden workers residing in the labour lines of the State's tea estates. (Answer in *150* words) 10

ৰাজ্যৰ চাহ বাগিচাবোৰৰ 'লেবাৰ লাইন'সমূহত (শ্ৰমিক আবাসী অঞ্চলসমূহত) বসবাস কৰি অহা চাহ বাগিচাৰ শ্ৰমিকসকলৰ কল্যাণৰ অৰ্থে অসম চৰকাৰে শেহতীয়াকৈ গ্ৰহণ কৰা ভূমি সংস্কাৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**5.** Airport privatization through Public-Private Partnership (PPP) model has emerged as a key strategy for expanding aviation infrastructure in India. Critically evaluate its benefits and challenges. (Answer in *150* words) 10

ভাৰতত সাৰ্বজনিক-ব্যক্তিগত অংশীদাৰিত্ব (PPP) আৰ্হিত বিমানবন্দৰৰ ব্যক্তিগতকৰণ বিমান পৰিবহণৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ এক মূল কৌশল ৰূপে পৰিগণিত হৈছে। ইয়াৰ সুবিধা আৰু প্ৰত্যাহ্বানসমূহৰ সমালোচনাত্মক মূল্যায়ন কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**6.** How can the India Energy Stack (IES) transform consumers from passive energy users into active market participants? Discuss. (Answer in *150* words) 10

ইণ্ডিয়া এনাৰ্জি ষ্টেক (IES)-এ কেনেকৈ গ্ৰাহকক নিষ্ক্ৰিয় শক্তি ব্যৱহাৰকাৰীৰ পৰা সক্ৰিয় বজাৰ অংশগ্ৰহণকাৰীলৈ ৰূপান্তৰিত কৰিব পাৰে সেই বিষয়ে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**7.** What is the BioE3 Policy of the Government of India? Discuss how the policy may help boost India's economy while ensuring environmental sustainability. How could a biodiversity-rich region like Assam benefit from this policy? (Answer in *150* words) 2+4+4=10

ভাৰত চৰকাৰৰ BioE3 নীতি কি? এই নীতিয়ে পৰিবেশগত বহনক্ষমতা নিশ্চিত কৰাৰ লগতে ভাৰতৰ অৰ্থনীতিক শক্তিশালী কৰাত কেনেদৰে সহায় কৰিব পাৰে, আলোচনা কৰক। অসমৰ দৰে জীৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ ৰাজ্য এখনে এই নীতিৰ পৰা কেনেদৰে উপকৃত হ'ব পাৰে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**8.** Explain how vacuum birefringence challenges the traditional idea that vacuum is completely empty. (Answer in *150* words) 10

SPM IAS ACADEMY
SHAPING BRILLIANCE

শূন্যস্থান সম্পূৰ্ণৰূপে খালী বুলি থকা পৰম্পৰাগত ধাৰণাটোক ভেকুৱাম বাইৰিফ্ৰিঞ্জেন্সে কেনেদৰে প্ৰত্যাহ্বান জনায় সেই বিষয়ে ব্যাখ্যা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**9.** Climate change is increasing the frequency and intensity of certain extreme weather events. Examine its implications for disaster management in India. (Answer in *150* words) 10

জলবায়ু পৰিৱৰ্তনৰ ফলত কিছুমান চৰম বতৰজনিত পৰিঘটনা সঘনাই আৰু অধিকতৰ তীব্ৰতাৰে ঘটিবলৈ লৈছে। ভাৰতৰ দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱসমূহ পৰীক্ষা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**10.** In the last few years, the Government of Assam has signed Memorandums of Settlement (MoS) with almost all the militant outfits of the State. What are the challenges of the post-MoS period? What are your suggestions for tackling these challenges? (Answer in *150* words) 5+5=10

যোৱা কিছু বছৰ ধৰি ৰাজ্যখনৰ প্ৰায়বোৰ উগ্ৰপন্থী সংগঠনৰ সৈতে অসম চৰকাৰে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এনেবোৰ চুক্তিত স্বাক্ষৰ কৰাৰ পিছৰ পৰ্যায়ত কেনেধৰণৰ প্ৰত্যাহ্বান আহিছে? এই প্ৰত্যাহ্বানবোৰ মোকাবিলা কৰিবলৈ আপোনাৰ পৰামৰ্শসমূহ কি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** What do you mean by stubble management? What are the impacts of stubble burning on the environment? Write about the proper stubble management practices for enhancing cropping intensity without any adverse impact on the environment. (Answer in *250* words) 5+5+5=15

নৰা-ব্যৱস্থাপনা (stubble management) বুলিলে কি বুজে? নৰা জ্বলোৱাৰ ফলত পৰিবেশৰ ওপৰত কি কি প্ৰভাৱ পৰে? পৰিবেশৰ ওপৰত কোনো ধৰণৰ বিৰূপ প্ৰভাৱ নেপেলোৱাকৈ শস্য সিঁচাৰ তীব্ৰতা বৃদ্ধি কৰাৰ বাবে উপযুক্ত নৰা-ব্যৱস্থাপনা পদ্ধতিসমূহৰ বিষয়ে লিখক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** Discuss the major e-technologies used to support the farmers. Discuss the challenges and future prospects of digital agriculture in India. (Answer in *250* words) 6+5+4=15

কৃষকসকলক সহায়ৰ অৰ্থে ব্যৱহৃত প্ৰধান ই-প্ৰযুক্তিসমূহৰ বিষয়ে আলোচনা কৰক। ভাৰতত ডিজিটেল কৃষিৰ প্ৰত্যাহ্বানসমূহ আৰু ইয়াৰ ভৱিষ্যৎ সম্ভাৱনাসমূহৰ বিষয়ে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** For the past ten years, UPI has stood as a groundbreaking achievement in India's digital landscape. Explore its role in boosting digital payments, expanding banking access and changing the economy. (Answer in *250* words) 5+5+5=15

যোৱা দহ বছৰত ইউ.পি.আই. (UPI) ভাৰতৰ ডিজিটেল ক্ষেত্ৰখনত এক যুগান্তকাৰী সাফল্য হিচাপে পৰিগণিত হৈছে। ধনৰ ডিজিটেল লেনদেনৰ প্ৰসাৰ, বেংকিং সেৱাৰ প্ৰৱেশাধিকাৰৰ সম্প্ৰসাৰণ আৰু অৰ্থনীতিৰ পৰিৱৰ্তন সাধনত ইয়াৰ ভূমিকা বিশ্লেষণ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**14.** Describe how the Digital India Land Records Modernization Programme (DILRMP) has been successful in the effective implementation of land reform measures in India. Highlight the roles of 'Mission Basundhara' and 'SVAMITVA' in conferring land titles to the landless families of Assam. (Answer in *250* words) 7+4+4=15

ভাৰতত ভূমি সংস্কাৰ ব্যৱস্থাসমূহৰ ফলপ্ৰসূ ৰূপায়ণত ডিজিটেল ইণ্ডিয়া ভূমি অভিলেখ আধুনিকীকৰণ কাৰ্যসূচী (DILRMP)-এ কেনেদৰে সফলতা অৰ্জন কৰিছে সেই বিষয়ে বৰ্ণনা কৰক। অসমৰ ভূমিহীন পৰিয়ালসমূহক ভূমিৰ স্বত্বাধিকাৰ প্ৰদানৰ ক্ষেত্ৰত 'মিছন বসুন্ধৰা' আৰু 'স্বামিত্ব (SVAMITVA)'-ৰ ভূমিকাসমূহ উল্লেখ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

**15.** What are the different components of agricultural marketing? Why is the marketing of agricultural products different from the marketing of other products? (Answer in *250* words)
8+7=15

কৃষিজাত সামগ্ৰীৰ বিপণনৰ বিভিন্ন উপাদানসমূহ কি কি? কৃষিজাত সামগ্ৰীৰ বিপণন অন্যান্য সামগ্ৰীৰ বিপণনৰ পৰা কিয় পৃথক? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**16.** The National Manufacturing Mission represents a new approach to industrial policy in India. Discuss its key features and likely impacts on manufacturing competitiveness. (Answer in *250* words)
10+5=15

ৰাষ্ট্ৰীয় বিনিৰ্মাণ অভিযান (National Manufacturing Mission)-এ ভাৰতৰ ঔদ্যোগিক নীতিৰ এক নতুন দৃষ্টিভংগী সূচায়। এই অভিযানৰ মুখ্য বৈশিষ্ট্যসমূহ আৰু উৎপাদন খণ্ডৰ প্ৰতিযোগিতামূলক সক্ষমতাৰ ওপৰত ইয়াৰ সম্ভাব্য প্ৰভাৱসমূহৰ বিষয়ে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** What is a qubit and how is it different from bits? Explain the role of quantum tunnelling in the operation of superconducting qubits. (Answer in *250* words)
2+5+8=15

কিউবিট (Qubit) কি আৰু ই বিট (Bit)-ৰ পৰা কেনেদৰে পৃথক? অতিপৰিবাহী কিউবিটৰ কাৰ্যপ্ৰণালীত কোৱাণ্টাম টানেলিঙৰ ভূমিকা ব্যাখ্যা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** What is deepfake technology? How is it becoming growing concerns for the international community, personal security and governance system? What steps do you believe the government and society should take to mitigate the negative impacts of such technologies? Can you think of some positive aspects of this technology? (Answer in *250* words)
2+5+6+2=15

'ডিপফেক' প্ৰযুক্তি কি? আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়, ব্যক্তিগত নিৰাপত্তা আৰু শাসন ব্যৱস্থাৰ বাবে ই কিয় ক্ৰমাৎ উদ্বেগৰ বিষয় হৈ পৰিছে? আপোনাৰ মতে এনে প্ৰযুক্তিৰ নেতিবাচক প্ৰভাৱসমূহ চম্ভালিবলৈ চৰকাৰ আৰু সমাজৰ কি কি পদক্ষেপ লোৱা উচিত? এই প্ৰযুক্তিৰ কিছুমান ইতিবাচক দিশৰ বিষয়ে আপুনি ভাবিব পাৰেনে? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** How does the Information Technology (IT) Act, 2000 define Critical Information Infrastructure (CII)? Give two examples of CII. Discuss the key responsibilities of the National Critical Information Infrastructure Protection Centre (NCIIPC) in safeguarding the nation's CIIs. (Answer in *250* words)
2+4+9=15

তথ্য প্ৰযুক্তি (IT) আইন, ২০০০-এ মহত্ত্বপূৰ্ণ তথ্য আন্তঃগাঁথনি (Critical Information Infrastructure–CII)-ক কেনেদৰে সংজ্ঞায়িত কৰিছে? CII-ৰ দুটা উদাহৰণ দিয়ক। দেশৰ মহত্ত্বপূৰ্ণ তথ্য আন্তঃগাঁথনিসমূহ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মহত্ত্বপূৰ্ণ তথ্য আন্তঃগাঁথনি সুৰক্ষা কেন্দ্ৰ (National Critical Information Infrastructure Protection Centre–NCIIPC)-ৰ মুখ্য দায়িত্বসমূহ আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** What are the key features and provisions of the National Investigation Agency (Amendment) Act, 2019? How does the 2019 Unlawful Activities (Prevention) Act (UAPA) Amendment directly impact the NIA's operational power? (Answer in *250* words)
12+3=15

ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (National Investigation Agency–NIA) (সংশোধনী) আইন, ২০১৯-ৰ মুখ্য বৈশিষ্ট্য আৰু বিধানসমূহ কি কি? ২০১৯ চনত হোৱা বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন (Unlawful Activities (Prevention) Act–UAPA)-ৰ সংশোধনে NIA-ৰ কাৰ্যকৰী ক্ষমতাক কেনেদৰে প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★